**1.4 অসমৰ হাবি-বননিৰ পৰা লাভ কৰা ৰাজহৰ পৰিমাণ (Revenue Receipt from Forest in Assam) ঃ** অসমৰ বনজ সম্পদৰ পৰা অসম চৰকাৰে এক বৃহৎ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰাৰ অৱকাশ আছে যদিও চোৰাংকৈ বনজ সম্পদ ব্যৱহাৰ হোৱাত প্ৰকৃত সংগৃহীত ৰাজহ বহুলাংশে কম হোৱা দেখা পোৱা যায়। 1950–51 চনত অসমৰ বনজ সম্পদৰ পৰা সংগৃহীত অসম

চৰকাৰৰ মুঠ ৰাজহৰ পৰিমাণ আছিল 57 লাখ টকা। 1977–78 চনত এই ৰাজহৰ পৰিমাণ আছিল 966 লাখ টকা। 1980–81 চনত ইয়াৰ পৰিমাণ 122 লাখলৈ বৃদ্ধি পায়। পুনৰ 1996–97 চনত ইয়াৰ পৰিমাণ 14.1 কোটিলৈ বৃদ্ধি পায়। 1998–99 চনত বনজ সম্পদৰ পৰা সংগৃহীত অসমৰ মুঠ ৰাজহৰ পৰিমাণ আছিল 1993–94 চনৰ স্থিৰ মূল্যমানত 304.70 কোটি টকা। 2001–02 চনৰ পৰা 2009–2010 চনলৈ অসমৰ বনজ সম্পদৰ পৰা লাভ কৰা ৰাজহৰ পৰিমাণ তলৰ তালিকাৰে প্ৰকাশ কৰা হ'ল।

**তালিকা নং -২**

**অসমৰ হাবি-বননিৰ পৰা লাভ কৰা ৰাজহৰ পৰিমাণ**

**(Revenue Receipt from Forest in Assam)**

| বছৰ | ৰাজহৰ পৰিমাণ | বছৰ | ৰাজহৰ পৰিমাণ |
|---|---|---|---|
| 2001–2002 | 1207.77 লাখ | 2006–2007 | 3971.07 লাখ |
| 2002–2003 | 1854.00 লাখ | 2007–2008 | 5062.70 লাখ |
| 2003–2004 | 1916.82 লাখ | 2008–2009 | 6266.00 লাখ |
| 2004–2005 | 2376.82 লাখ | 2009–2010 | 7751.60 লাখ |
| 2005–2006 | 4334.26 লাখ | | |

**Source :** State Forest Department, Assam

উল্লেখযোগ্য যে 1996 চনৰ 22 ডিচেম্বৰ তাৰিখত ভাৰতৰ চুপ্ৰিম কৰ্টৰ নিৰ্দ্দেশ অনুযায়ী অসমৰ সেউজীকৰণ আঁচনি সুৰক্ষিত কৰি ৰাখিবলৈ গছ কটাৰ ওপৰত সম্পূৰ্ণ নিযেধাজ্ঞা আৰোপ কৰিছে। ফলত অসমৰ বনজ সম্পদৰ পৰা হ'ব পৰা সাম্ভাব্য ৰাজহ প্ৰয়োজনতকৈ কম হোৱা দেখা হৈছে। তথাপিও বনভূমি আইনৰহিতভাৱে লুকাই চুৰকৈ ধ্বংস কৰা, বেদখল কৰা বে-আইনীভাৱে বনজ সম্পদৰ ওপৰত অবাধ লুণ্ঠন অব্যাহত থকাত অসমত বনজ সম্পদৰ উন্নয়ন যি হাৰত হ'ব লাগিছিল, সেই হাৰত বৃদ্ধি কৰিব পৰা নাই।

1.5 **অসমৰ অৰ্থনীতিত বনজ সম্পদৰ গুৰুত্ব (Importance of Forest Resources in Assam Economy's) ঃ** বনজ সম্পদে অসমৰ

অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৰদান আগবঢ়াইছে। অসমৰ মুঠ ভূমি ভাগৰ শতকৰা 22 শতাংশ চৰকাৰীভাৱে সংৰক্ষিত বনাঞ্চলে আগুৰি আছে। অসমলৈ প্ৰতি বছৰে দক্ষিণ-পশ্চিম মৌচুমী বায়ু প্ৰবাহিত হয়। ফলত অসমত গছ-গছনি গজিবলৈ বা ঠন ধৰি উঠিবলৈ যিমানখিনি পানীৰ প্ৰয়োজন হয় সিমানখিনি পানী সহজতে যোগাৰ হোৱাত বিভিন্ন মূল্যৱান গছ-গছনি গঢ় লৈ উঠাত সুবিধা হয়। পুনৰ অসমৰ ভূমিৰ বৈশিষ্ট্যও গছ-গছনি গজাত আৰু সহজে ঠন ধৰি উঠাত সহায় কৰে। অসমৰ হাবিত সাধাৰণতে দুই প্ৰকাৰৰ গছ-গছনি দেখিবলৈ পোৱা যায়। সেইয়া হ'ল—(ক) চিৰ সেউজ বননি আৰু (খ) আন প্ৰকাৰ হ'ল গ্ৰীষ্ম প্ৰধান পাতসৰা বননি।

অসমৰ বনজ সম্পদ হিচাপে বাঁহ, বেঁত আৰু ইকৰাৰ স্থান অন্যতম। অসমৰ বাঁহ আৰু বেঁতৰ যোগেদি বহুতো মূল্যৱান ঘৰুৱা সামগ্ৰী প্ৰস্তুত বা কুটীৰ শিল্প গঢ়ি উঠিছে। এই শিল্পসমূহৰ যোগেদি অসমৰ গ্ৰাম্য অৰ্থনীতিয়ে বহুলাংশে উন্নতি লাভ কৰিছে। গ্ৰাম্য এলেকাৰ বহুতো নিৱনুৱা আৰু ছদ্মবেশী নিৱনুৱাই এনে শিল্পৰ যোগেদি কৰ্ম সংস্থাপনৰ সুবিধা লাভ কৰিছে। বাঁহ আৰু বেতেই হ'ল গ্ৰাম্য এলেকাত ঘৰ-দুৱাৰ নিৰ্মাণ কৰাৰ প্ৰধান আহিলা। হ'লেও প্ৰাচাত্যৰ পোহৰ পৰাত আজিকালি বেত-বাঁহৰ ঘৰ কমি আহিলেও চকী-টেবুল আদি ঘৰুৱা আঁচ-বাব গঢ়ি তোলা ক্ষুদ্ৰ উদ্যোগত বাঁহ-বেতৰ ব্যৱহাৰ আগতকৈ বহু বেছি পৰিমাণে বৃদ্ধি পাইছে। অসমত বাঁহৰ উৎপাদন প্ৰায় 135 টন। এই বাঁহৰ লগতে দেশত উৎপাদন হোৱা কোমল কাঠৰ পৰা কাগজ আৰু কাগজৰ মণ্ড উৎপাদন কৰিবলৈ কাৰখানাত কেঁচা সামগ্ৰী হিচাবে ব্যৱহাৰ কৰা হয়। অসমত তিনিটা কাগজৰ কাৰখানা আছে। তাৰে এটা হ'ল ৰাজহুৱা খণ্ডৰ কাগজ কল "জাগীৰোডৰ কাগজ কল" যাক "নগাওঁ কাগজ কল" বুলি জনা যায়। অন্য এটা কাগজ কল হ'ল যোগীঘোপাৰ "অশোক কাগজ কল"। এইটো কাগজ কলত 451 জন লোকক নিয়োজিত কৰা হৈছিল। ইয়াৰ উৎপাদন ক্ষমতা আছিল 16 হেজাৰ মেট্ৰিকটন। কিন্তু দুৰ্ভাৰ্গ্যৰ বিষয় এনে এটি অতি গুৰুত্বপূৰ্ণ উদ্যোগ যোৱা বহু কেইবছৰ ধৰি বন্ধ হৈ আছে। 1995 চনৰ 1 মাৰ্চ তাৰিখে অসম চৰকাৰে হাইদৰাবাদৰ "সাংগী গ্ৰুপ অৱ ইনড্ৰাষ্টিজ" ৰ লগত এক চুক্তিত আৱদ্ধ হৈ এই কাগজ কলটো পুনৰ চলাবলৈ আৰম্ভ কৰে, কিন্তু বিভিন্ন কাৰণত উদ্যোগ পৰিচালনাত সফল হ'ব নোৱাৰাত এই কাগজ কলটো 1999 চনৰ জুন মাহত

পুনৰ বন্ধ হৈ যায়। 2000 চনৰ জুলাই মাহৰ 26 তাৰিখে অসম চৰকাৰে পুনৰবাৰ কলিকতাৰ "সোনেকা পেপাৰ এণ্ড ইন্ড্রাষ্টিজ" ৰ সৈতে পুনৰ এক চুক্তিত স্বাক্ষৰ কৰে যদিও এই উদ্যোগটো পুনৰবাৰ সফল হ'ব নোৱাৰিলে। অসমত কাগজ শিল্পৰ প্ৰচুৰ সম্ভাৱনা দেখি অসমৰ কাছাৰ জিলাত এটা ৰাজহুৱা খণ্ডৰ কাগজ কল স্থাপন কৰা হয়। সঁচা অৰ্থত অসমত থকা পঞ্চগ্ৰামৰ হিন্দুস্থান পেপাৰ মিল আৰু জাগীৰোড পেপাৰ মিল এই দুয়োটাতে বছৰি 6 মিলিয়ন টন বাঁহ আৰু কোমল কাঠৰ প্ৰয়োজন হয়। কিন্তু অসমত মুঠতে বছৰি এক মিলিয়ন টনহে বাঁহজাতীয় উদ্ভিদ পোৱা যায়। সেয়েহে অসমত ভাৰত চৰকাৰৰ সহযোগত জাগীৰোডত এখন "বাঁহ উদ্যান" গঢ়ি তুলিবলৈ যত্ন কৰা হৈছে।

অসমৰ জলবায়ু বিভিন্ন প্ৰকাৰৰ গছ-গছনিৰ বাবে অতিশয় উপযোগী। সেয়েহে অসমৰ ভূমিত প্ৰায় 125 হেজাৰ বিধৰ গছ-গছনি এতিয়াও দেখিবলৈ পোৱা যায়। অসমৰ হাবিত দেখা পোৱা কিছুমান মূল্যৱান কাঠ হ'ল শাল, চেগুন, তিতাচপা, গমাৰি, আমাৰি, শিশু, বনচোম, শলখ, হোলোং, শিমলু, শিলিখা, পুৰ্‌জা, বোৱাল, আম, কঠাল, জামু, খকন, এজাৰ, চটিয়না, সোণাৰু, ৰেইনটি, নাহৰ, গণখৰি, চফা, গাহৰিচফা ইত্যাদি। এই গছসমূহৰ পৰা কাঠ উলিয়াই বিভিন্ন ঘৰ-দুৱাৰৰ আচ-বাব বনোৱা কামত ব্যৱহাৰ কৰিব পাৰি। 1997 চনত অসমত কাঠ, কাঠেৰে নিৰ্মিত সামগ্ৰী, আচ-বাব পত্ৰ আদি প্ৰস্তুত কৰা প্ৰায় 584 খন পঞ্জীয়ণভূক্ত ফেক্টৰী কামত নিযুক্ত হৈ আছিল। অসমত প্লাইউড উৎপাদনৰ বাবে প্ৰয়োজনীয় কাঠ যথেষ্ট পৰিমাণে পোৱা যায়। 1998 চনৰ তথ্য মতে অসমত মুঠতে 46 টা প্লাইউড কাৰখানা আছিল আৰু ইয়াত প্ৰায় 5,600 জন মানুহে নিযুক্তি লাভ কৰিছিল। অসমত বছৰি 32.0 নিযুত বৰ্গ মিটাৰ প্লাইউড প্ৰতি বছৰত উৎপাদন হয়। অসমত থকা কাঠৰ ওপৰত নিৰ্ভৰ কৰি ধুবুৰী জিলা দিয়াশলাই কাৰখানা গঢ় লৈ উঠিছে। এইবোৰ উদ্যোগতো প্ৰায় 1,117 জন শ্ৰমিকে কৰ্ম সংস্থাপনৰ সুবিধা লাভ কৰিছে। অসমৰ হাবিত পোৱা চোম আৰু সোৱালু গছ ব্যৱহাৰ কৰি প্ৰচুৰ পৰিমাণে মুগাৰ উৎপাদন কৰিব পাৰি। ঠিক একেদৰে নুনি গছ ব্যৱহাৰ কৰি পাটসূতা আৰু কেচেৰু আৰু এৰা গছৰ পাত ব্যৱহাৰ কৰি এড়ী সূতা উৎপাদন কৰিব পৰা যায়। অসমৰ মাটিত সহজে উৎপাদন কৰিব পৰা কপাহী গছৰ পৰা কপাহ উৎপাদন কৰি কপাহী সূতা উৎপাদনৰো প্ৰচুৰ সম্ভাৱনা আছে।

অসমৰ হাবি বা বনাঞ্চলত নানা তৰহৰ চৰাই-চিৰিকতিৰ কাকলিত কণ্ঠই আমাৰ মন-প্ৰাণ হৰি নিয়ে। পুনৰ অসমৰ সংৰক্ষিত বনাঞ্চলসমূহত বহুতো বিশ্ববিখ্যাত জীৱ-জন্তুও সংৰক্ষিত কৰা হয়। উদাহৰণস্বৰূপে কাজিৰঙা অভয়াৰণ্য এশিঙিয়া গড়ৰ-বাবে বিখ্যাত, ঠিক একেদৰে মানাহ বনাঞ্চলত বনৰীয়া ম'হ পোৱা যায়। অসমৰ প্ৰায় প্ৰতিখন সংৰক্ষিত বনাঞ্চলত হৰিণ, বনগাহৰি, বাঘ, ভালুক, বান্দৰ আদি আপুৰুগীয়া জীৱ-জন্তু সংৰক্ষিত হৈ আছে। অসমত বনজ সম্পদে আমাক ভূমিস্খলন, নদীৰ গৰাখহনীয়া, দেশৰ বায়ু প্ৰদুষণ ইত্যাদি বিভিন্ন দিশৰ পৰা ৰক্ষা কৰিলেও আমি বনাঞ্চলসমূহক যি গুৰুত্ব সহকাৰে ৰক্ষা কৰিব লাগিছিল সেইমতে ৰক্ষা কৰি পৰা নাই। সেইবাবে অসমৰ বনাঞ্চলসমূহৰ ৰক্ষণাবেক্ষণ আৰু সম্প্ৰসাৰণৰ বাবে আমি উপযুক্ত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা দৰকাৰ। মুঠৰ ওপৰত চৰকাৰী ৰাজহৰ উৎস, প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উদ্যোগবোৰত কেঁচা সামগ্ৰীৰ যোগান, ইন্ধনৰ যোগান, ঔষধি গছৰ যোগান, পৰ্য্যটনৰ বাবে আকৰ্ষণ কেন্দ্ৰ বিন্দু, গৃহ নিৰ্মাণৰ সঁজুলি সংগ্ৰহ, জৈৱ বৈচিত্ৰৰ সুৰক্ষা, পৰিবেশ সুৰক্ষা, বস্ত্ৰ উৎপাদন আদি কাৰ্যবোৰৰ সঠিক ৰূপায়ণৰ বাবেই অসমৰ অৰ্থনীতিত বনজ সম্পদৰ গুৰুত্ব অসীম।